
# দুধনৈ জোতি

…Annual M… Dudhnoi College, 2011-12



সম্পাদক

শ্রীবিশ্বডিং কছাবী




**Life Thriving in the Campus of Dudhnoi College**

*Photographed by Naren Das*



## হীৰেণ ভট্টাচাৰ্য

জন্মঃ ২৮ জুলাই, ১৯৩২ ইং
মৃত্যুঃ ৪ জুলাই, ২০১২ ইং



## কৰুণাকান্ত ৰাভা

জন্মঃ ২১ অক্টোবৰ, ১৯৩৩ ইং
মৃত্যুঃ ২৬ মে', ২০১৩ ইং



## দিলীপ সাহা


জন্মঃ ১৮ আগষ্ট, ১৯৬৪ ইং
মৃত্যুঃ ১৬ জুলাই, ২০১৩ ইং

*সুগন্ধি পখিলাৰ প্ৰেমিক কবি হীৰুদা, আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কৰুণাকান্ত ৰাভা আৰু গণিত বিভাগৰ অধ্যাপক দিলীপ সাহা চেৰ...*

*আপোনালোকৰ সোঁৱৰণত দুধনৈ মহাবিদ্যালয়ৰ এই বছৰ আলোচনীখন উচৰ্গা কৰিলোঁ।*


# চিত্ৰশিল্প





শিল্পী ঃ
সমুদ্ৰগুপ্ত ৰাভা





শিল্পী ঃ নীতিশ ভকত ব্ৰহ্ম

## কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ




## সম্পাদনা সমিতি



ড° হৰ কুমাৰ নাথ



জীৱেশ্বৰ কোচ



ড° ৰজত চন্দ্ৰ ৰাভা



ৰূপজ্যোতি মজুমদাৰ



ছফিকুল হুছেইন



পাৰুল নাথ



বিশ্বজিৎ কছাৰী

# Record of Dudhnoi College...

Since 1999 till last year there had been a sessonal gap of D.C.S.U. which created so many problems in the matter of the utilization of fund. The fund of each D.C.S.U. was utilized by the former body. The solution of this problem was possible only if a body of D.C.S.U. scerified the celebration of college week for a session and put the responsibility to its successor body or post poned the election of the body for a session. This problem was amicably solved after a long executive meeting held on 26-12-12 between the prof-in-charge of various sections of D.C.S.U. and Mr. Dipen Daimary the former General Secretary of D.C.S.U. and his colleagues. Mr. Daimary showed a compromising attitude in the celebration of college week by the newly formed D.C.S.U. body and the former body celebrated a cultural programme instead.

It is noteworthy to mention that our college participated in the youth festival at Gauhati University held from 1st Oct. 2012 to 5th Oct. 2012 & the following prestigious prizes in different events were achieved by our college team.


1. Miss Mery Rabha — 2nd Prize (Folk Song)
2. Miss Mery Rabha — 3rd Prize (Assamese Modern Song)
3. Miss Himasri Ray — 3rd Prize (Classical dance)
4. Mr. Samudragupta Rabha — 3rd Prize (Kollas)
5. Mr. Samudragupta Rabha — 3rd Prize (Clay modeling)

Inter college Volley Ball — 2nd Prize by Dudhnoi College Team.


Inter College football upto Semi final by Dudhnoi College team respectively.







Miss Himasri Ray



Mr. Samudragupta Rabha

# দুধনৈ জ্যোতি

*An Annual Magazine of Dudhnoi College*

বাৰ্ষিক প্ৰকাশ
২০১১-২০১২ শিক্ষাবৰ্ষ

## DUDHNOI COLLEGE STUDENTS' UNION
### DUDHNOI COLLEGE, GOALPARA
### 2011-2012 ACADEMIC SESSION

তত্ত্বাৱধায়ক
**ড° হৰ কুমাৰ নাথ**

সম্পাদক
**বিশ্বজিৎ কছাৰী**

**DUDHNOI JYOTI :** *An annual collection of articles written by Assamese, Bodo, Rabha, and English, published by Dudhnoi College Students' Union, Dudhnoi College, Dudhnoi-783124; editor Biswajit Kachary and Prof. in Charge Dr. Har Kumar Nath.*



## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গোপাল ফুকন |
| তত্ত্বাৱধায়ক | ঃ | ড° হৰ কুমাৰ নাথ |
| সম্পাদক | ঃ | বিশ্বজিৎ কছাৰী |
| সদস্য/ সদস্যাবৃন্দ | ঃ | অধ্যাপক জীৱেশ্বৰ কোচ |
| | | ড° ৰজত চন্দ্ৰ ৰাভা |
| | | অধ্যাপক ছফিকুল হুচেইন |
| | | অধ্যাপক ৰূপজ্যোতি মজুমদাৰ |
| | | অধ্যাপিকা পাৰুল নাথ |
| বেটুপাতৰ পৰিকল্পনা | ঃ | বিশ্বজিৎ কছাৰী |
| অংগসজ্জা | ঃ | সঞ্জীৱজ্যোতি হালৈ |
| | | কাজিৰঙা বুক হাউচ, জুলু মাৰ্কেট |
| | | চানমাৰি, গুৱাহাটী-২১ |
| অক্ষৰ বিন্যাস | ঃ | ভাস্কৰজ্যোতি বৈশ্য |
| মুদ্ৰণ | ঃ | ভৱানী অফছেট প্ৰাইভেট লিমিটেড |
| | | ভৱানী কমপ্লেক্স, হাতীশিলা, |
| | | পানীখাইতি, গুৱাহাটী-৭৮১ ০২৬ |

(ফটোসমূহ সমুদ্ৰগুপ্ত ৰাভাৰ দ্বাৰা অংকিত আৰু ইণ্টাৰনেটৰ সহায়ত লোৱা)

# অধ্যক্ষৰ কলম

শিক্ষা প্ৰক্ৰিয়াটোক এডাল কলাবৃক্ষৰ লগত তুলনা কৰিব পাৰি, যিয়ে মানুহৰ আশা আকাংক্ষা পূৰণ কৰাত সহায় কৰে। শিক্ষাই ব্যক্তিক সৰ্বাত্মক দিশৰ বিকাশ সাধন কৰি মানৱত্ব গুণৰ অধিকাৰী কৰি জগতত উজ্জ্বলি থকাত সহায় কৰে। বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত বিজ্ঞানসন্মত মনোভাৱ, আধ্যাত্মিকতাৰ অনুসন্ধান, সহযোগিতাৰ অভ্যাস গঠন, সাংস্কৃতিক সমন্বয় ইত্যাদি দিশসমূহক অধিক প্ৰমূল্য প্ৰদান কৰা হৈছে। সেয়ে শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীৰ অৰ্ন্তনিহিত প্ৰতিভাসমূহৰ গ্ৰহণযোগ্য বিকাশৰ পথৰ সন্ধান দিয়া উচিত।

একোখন শিক্ষানুষ্ঠানৰ সাফল্য নিৰ্ভৰ কৰে কৰ্তৃপক্ষ, শিক্ষক, শিক্ষাৰ্থী, কৰ্মচাৰী ইত্যাদি সকলো মানৱ সম্পদৰ মাজত থকা পাৰস্পৰিক আন্তঃক্ৰিয়াৰ ওপৰত। শিক্ষানুষ্ঠানৰ পৰিৱেশত ঘৰুৱা পৰিৱেশৰ প্ৰতিফলন হোৱাটো অপৰিহাৰ্য্য। ঘৰখনত যিদৰে প্ৰতিজন সদস্যই ঐক্যবদ্ধ প্ৰচেষ্টাৰে উন্নতিৰ বাবে প্ৰয়াস কৰে, তদ্ৰূপ শিক্ষানুষ্ঠানতো সকলো সদস্যই নিজ নিজ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰিব লাগে। অৱশ্যে মানুহে প্ৰতি মনটো, ধানটোৰে প্ৰতি কনটো থকাৰ দৰে সকলোৰে চিন্তা-চৰ্চা বা মনোভাৱ কেতিয়াও একে হ'ব নোৱাৰে। সেয়েহে শিক্ষক বা শিক্ষাৰ্থী সকলৰ মাজত ব্যক্তিগত পাৰ্থক্য থকাটো স্বাভাৱিক। অধ্যক্ষ হিচাপে মহাবিদ্যালয়খনৰ সকলো দিশৰ উন্নয়নৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰি আহিছো। এই ক্ষেত্ৰত কিমান দূৰ সফল হ'ব পাৰিছো সেয়া আপোনাসৱে বিচাৰ কৰিব। কোৱা অনস্বীকাৰ্য যে মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম-কাজসমূহ সুকলমে সম্পন্ন কৰাত শিক্ষক শিক্ষয়িত্ৰী তথা ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকলে বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়াই মোক উৎসাহিত কৰি আহিছে। উল্লেখযোগ্য যে আগৰ কোনোবা এটা বৰ্ষৰ পৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যকালৰ বাজেটৰ ধন এবছৰ পিছুৱাই আছিল। অৰ্থাৎ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ধনেৰে নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰিব লগীয়া হৈছিল। সৌভাগ্যক্ৰমে এইবাৰ কেইগৰাকীমান দূৰদৰ্শী শিক্ষক শিক্ষয়িত্ৰী আৰু ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ এই খেলিমেলিৰ অন্ত পৰে, যাৰ ফলত এই বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ নিৰ্বাচন নিৰ্ধাৰিত সময়মতে ছেপ্তেম্বৰ মাহত অনুষ্ঠিত কৰিব পৰা যাব। এই ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীদ্বীপেন দৈমাৰী আৰু আলোচনী সম্পাদক শ্ৰীবিশ্বজিৎ কছাৰীৰ পদক্ষেপ অতি প্ৰশংসনীয়। ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনা মৰ্মে তেওঁলোকৰ দিনত নৱাগত আদৰণি সভা সুকলমে সম্পন্ন কৰে আৰু ২০১২-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাক মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ দায়িত্ব এৰি দিয়ে। এনে পদক্ষেপৰ বাবে উপদেষ্টা, তত্বাৱধায়ক, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো। তদুপৰি এই বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন দিশত মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত বিভিন্ন শিতানত পদক অৰ্জন কৰাৰ লগতে আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত ৰাণাৰ্ছ আপ আৰু জিলাভিত্তিত অনুষ্ঠিত ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। ঠিক একেদৰে, আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত পদক অৰ্জন কৰিবলৈ সক্ষম নহ'লেও উৎকৃষ্ট মানৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। এনে সাফল্যই মহাবিদ্যালয়ৰ উত্তৰণত সহায় কৰে। আশা কৰো, অনাগত সময়তো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই ধাৰাবাহিকতা বজাই ৰাখিব।

দুধনৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকে যি উৎসাহ আৰু প্ৰচেষ্টাৰে আলোচনীখন প্ৰকাশৰ বাবে আগবঢ়িছে, তাক দেখি মই যথেষ্ট আনন্দিত হৈছে। এই ক্ষেত্ৰত আলোচনীৰ তত্বাৱধায়ক, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা অতি প্ৰশংসনীয়। আশা কৰো আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চেতনাৰ বিকাশ ঘটোৱাৰ লগতে সমাজৰ উত্তৰণত এক নতুন বৌদ্ধিক চিন্তাৰ সংযোজন ঘটাব।

ডঃ গোপাল ফুকন



# সম্পাদকীয়

**প্ৰসংগ ১ ঃ জাতীয় সংকট আৰু যুৱ প্ৰজন্মৰ দায়িত্ব**

সম্পাদকীয় পৃষ্ঠাত একলম লিখিবলৈ ওলোৱাৰ আগ মুহূৰ্তত বিভিন্ন কথাই মোৰ মনত অগা ডেৱা কৰিছেহি। ক'বলৈ বহু কথা আছে; কিন্তু এপিষ্ঠাত সকলোবোৰ ক'ব নোৱাৰাৰ বাবে কোনটো কওঁ কোনটো থওঁ লাগিছে। সম্প্ৰতি অসমখন সংকট অৱস্থাৰ সন্মুখীন হৈছে। যাৰ ফলত সমগ্ৰ অসমেই ধ্বংসৰ মুখলৈ গতি কৰিছে। এই ক্ষেত্ৰত মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মৰ যথেষ্ট কৰণীয় আছে।

কিন্তু যি সময়ত মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে এখন নিকা সমাজ গঢ়াত আগভাগ ল'ব লাগিছিল তেনে সময়ত যুৱ প্ৰজন্মৰ উচ্ছৃংখলহে দেখিবলৈ পোৱা যায়। যি সময়ত যুৱ-প্ৰজন্মৰ চিন্তা সমস্যা সমাধানৰ পথ প্ৰদৰ্শক হ'ব লাগিছিল, সেই সময়ত তেওঁলোকৰ মাজত হোৱা অপ্ৰীতিকৰ ঘটনাৰ সংবাদে সংবাদপত্ৰৰ শিৰোনামা দখল কৰাটো অতি পৰিতাপৰ কথা হৈছে। তথাপি আমাৰ জাতীয় স্বাৰ্থত যুৱ সমাজৰ যি মহান দায়িত্ব তাক নিষ্ঠাৰে পালন কৰিলে সংকটৰ অৱসান ঘটাব পৰা যাব বুলি চিন্তাশীল সকলে বিশ্বাস কৰে।

**প্ৰসংগ ২ ঃ মহাবিদ্যালয়ৰ আলোচনী আৰু ব্যক্তিগত একাষাৰ ঃ**

দুধনৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা এক গুৰুত্বপূৰ্ণ দায়িত্ব বুলি বিবেচনা কৰি সম্পাদক হিচাপে নিৰ্বাচন হোৱাৰ পাছৰে পৰাই এই দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ যৎপৰোণাস্তি চেষ্টা কৰি আহিছোঁ যদিও মহাবিদ্যালয়ত সাহিত্য চৰ্চা তথা লেখা-মেলাৰ অনুকুল পৰিবেশৰ অভাৱে দ্বায়িত্ব পালনত প্ৰত্যাহ্বানৰ সন্মূখীন কৰিছে। ছাত্ৰ-ছাত্ৰীৰ পৰ্যাপ্ত আৰু উন্নত মানৰ লেখাৰ অভাৱক অৱশেষত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লেখনিয়ে দূৰ কৰাত আমাক উৎসাহ যোগাইছিল। আমাৰ এই অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজ প্ৰতিভা সম্পৰ্কে সচেতন নহয় আৰু এওঁলোকক উৎসাহিত কৰিবৰ বাবে এক অনুকুল পৰিবেশো বৰ্তমান গঢ়ি উঠা নাই। মহাবিদ্যালয়ৰ আলোচনীয়ে যিহেতু ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক কছৰতৰ ক্ষেত্ৰত জুইশাল হিচাপে কাম কৰে; সেয়েহে আমাৰ প্ৰচেষ্টাই এই ক্ষেত্ৰত অৰিহনা যোগাব বুলি আমি আশা কৰোঁ। প্ৰথমাৱস্তাৰে পৰা আলোচনীখনৰ নতুনত্ব বিচাৰি সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে আলোচনীখন সৰ্বাংগসুন্দৰ কৰি তোলাত কিমান সফল হৈছোঁ, সেয়া সন্দেহৰ বিষয়। এই গুৰু দ্বায়িত্ব পালনৰ ক্ষেত্ৰত অনিচ্ছাকৃত ভুল হৈ যাব পাৰে তাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী। লগতে বিভিন্ন প্ৰকাৰৰ দিহা-পৰামৰ্শৰে সহায়-সহযোগ কৰা বাবে তত্ত্বাৱধায়ক ড° হৰ কুমাৰ নাথ চাৰ আৰু অধ্যক্ষ ড° গোপাল ফুকন চাৰলৈ কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলো। এই ছেগোতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈও ধন্যবাদ জ্ঞাপন কৰিলো।

শ্ৰদ্ধাৰে...

20/09/13

*কিন্তু যি সময়ত মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে এখন নিকা সমাজ গঢ়াত আগভাগ ল'ব লাগিছিল তেনে সময়ত যুৱ প্ৰজন্মৰ উচ্ছৃংখলহে দেখিবলৈ পোৱা যায়। যি সময়ত যুৱ-প্ৰজন্মৰ চিন্তা সমস্যা সমাধানৰ পথ প্ৰদৰ্শক হ'ব লাগিছিল, সেই সময়ত তেওঁলোকৰ মাজত হোৱা অপ্ৰীতিকৰ ঘটনাৰ সংবাদে সংবাদপত্ৰৰ শিৰোনামা দখল কৰাটো অতি পৰিতাপৰ কথা হৈছে।*

# সূচীপত্ৰ

**প্ৰবন্ধঃ**


দেশৰ আৰ্থ-সামাজিক বিকাশত নাৰীৰ অংশগ্ৰহণ আৰু বৰ্ধিত হিংসা ঃ এটি আলোচনা / পাৰুল নাথ ১
সমাজ আৰু সৃজনীমূলক সাহিত্য / ড° আবুল হুছেইন ৪
জলবায়ু পৰিৱৰ্তন আৰু আমি / নুৰবখ্‌ত শ্বেখ ৭
আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ জনগোষ্ঠী ঃ এক চমু নৃগোষ্ঠীয় অৱলোকন / ৰাহিদা বেগম ৯
সুখ সন্ধানী নিৰুদ্দেশ যাত্ৰা / জিতুমণি পাঠক ১৪
শিক্ষা বিভাগৰ শিক্ষামূলক ভ্ৰমণ / ড° মিনতি চৌধুৰী ১৭
মহাপুৰুষ শংকৰদেৱৰ নাটত কৃষ্ণভক্তি মাহাত্ম্য / ড° হৰ কুমাৰ নাথ ২৩
মহাবিদ্যালয়ৰ যুৱ প্ৰজন্মৰ উচ্ছৃংখলতা আৰু ইয়াৰ ভয়াৱহতা / লক্ষ্মী শৰ্মা ২৮
বৰ্তমানৰ সমাজব্যৱস্থা আৰু ছাত্ৰ সমাজ / মৃগাংক হাজৰিকা ২৯
বড়ো লোক গীতৰ মূলভাব ৩২
ৰাভাসকলৰ বায়খো উৎসৱ ঃ এটি ক্ষেত্ৰ অধ্যয়ন / ৰয়চম ৰাভা ৩৩
প্ৰেম / হৃদয় দ্বীপ ৰাভা ৩৬
এখন গাঁৱৰ তিনিটা অপ্ৰিয় সত্য ঘটনা / প্ৰদুন্য সৰকাৰ (থুন) ৩৮


**ক্ষেত্ৰভিত্তিক অধ্যয়ন ঃ**


ব্যক্তি পৰ্য্যায়ত জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ / তৰুণ চন্দ্ৰ চাংমাই ৪০


**কবিতাৰ আকাশ ঃ**


শৰতৰ এটি অনুভৱ / কমলকৃষ্ণ ৰাজবংশী ৪৩
মোৰ জান / ফুলেন্দ্ৰ কুমাৰ শৰ্মা ৪৩
যন্ত্ৰণা / জুবী নাথ ৪৪
স্বাধীন প্ৰেমৰ ৰাষ্ট্ৰ গঢ়িম / হৃদয় দ্বীপ ৰাভা ৪৪
দূৰভাষ / চিমি মোচাহাৰি ৪৫
অনুভূতি / কুন্তলা ৰাভা ৪৬
এই মায়াৰী জীৱন / পম্পি ৰাভা ৪৬
তুমি মাথো তুমি / ৰুবী বসাক ৪৭
এজাক অৱতৰীয়া বৰষুণ / বন্দনা নাথ ৪৭
নীৰৱতা / অনামিকা ৰাভা ৪৮
আকাশ / প্ৰাণজিত কলিতা ৪৮
এটি সপোনৰ অন্বেষণৰ আঁৰত / নৰ্মদা শৰ্মা ৪৯
পুৰতি তৰাৰ হাঁহি / সুদৰ্শন ৰাভা ৪৯
শুভ ৰাত্ৰি / জুপিতৰা ৰাভা ৫০
ভালপাওঁ বুলি / জ্যোতি প্ৰসাদ বসুমতাৰী ৫০


**ৰাভা কবিতা ঃ**


আয়ানি বোমায়ান / চন্দন ৰাভা ৫০